**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-07-2025
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

বঙাইগাওঁ সংমণ্ডলৰ লোক নিৰ্মাণ বিভাগৰ সহকাৰী অভিযন্তাই যোশীতা দাসৰ অস্বাভাৱিক মৃত্যুৰ ঘটনাৰ তদন্ত চিবিআইলৈ হস্তান্তৰ কৰাত ৰাজ্যিক মন্ত্ৰীসভাই অনুমোদন জনাইছে। লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত মুখ্যমন্ত্ৰীয়ে এইকথা প্ৰকাশ কৰে। মন্ত্ৰীসভাই আজি মুখ্যমন্ত্ৰীৰ জীৱন অনুপ্ৰেৰণা আঁচনিৰ পৰিসৰ বৃদ্ধি কৰি অসমত থকা কেন্দ্ৰ বা ৰাজ্য চৰকাৰৰ অনুষ্ঠানসমূহৰ ২০২১ চনৰ এক এপ্ৰিলৰ পৰা ভৰ্তি হোৱা দিব্যাংগ গৱেষকসকলকে ধৰি পূৰ্ণকালীন গৱেষক ছাত্ৰ-ছাত্ৰীসকলক এই আঁচনিত অন্তৰ্ভুক্ত কৰাত অনুমোদন জনায়। বদৰপুৰত খোৱাপানী যোগানৰ বাবে মন্ত্ৰীসভাই আজি ৪৯ কোটিৰো অধিক ব্যয় সাপেক্ষ বদৰপুৰ নগৰ পানী যোগান আঁচনিত অনুমোদন জনায়। ৰাজ্যিক মন্ত্ৰীসভাই আজি মিছন বসুন্ধৰা তৃতীয় পৰ্যায়ৰ অধীনৰ ভালেমান সিদ্ধান্ত গ্ৰহণ কৰে। এই অনুসৰি ৮ খন জিলাৰ ২৯৯ খন বাৰ্ষিক পট্টা ম্যাদি পট্টালৈ ৰূপান্তৰ, ১০ টা আন্তঃগাথনিৰ বাবে ভূমি আৱণ্টন, ডিব্ৰুগড়ত ভূমি পুনৰ শ্ৰেণী বিভাজন, ৭ খন জিলাৰ ১৯০ টা ন্যায়িক অনুষ্ঠানলৈ ভূমি হস্তান্তৰ আৰু ধেমাজিত এহেজাৰ ৭৪২ টা ভূমিহীন খিলঞ্জীয়া পৰিয়ালৰ ভূমি নিষ্পত্তিত অনুমোদন জনোৱা হয়। তদুপৰি ২০১১ চনৰ পূৰ্বে তিৰাপ জনজাতীয় অঞ্চলৰ ভূমিৰ অধিকাৰ থকা আহোম, কোচ ৰাজবংশী, মৰাণ, মটক, চুতীয়া, গোৰ্খা, চাহ বাগিছা আৰু আদিবাসী সম্প্ৰদায়ৰ লোকসকলক সংৰক্ষিত লোকৰ শ্ৰেণীৰ তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ মন্ত্ৰীসভাই অনুমোদন জনায়।

০০০০

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত চলি থকা উচ্ছেদ অভিযান আজি তৃতীয় দিনা শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। আমাৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে আজি পুৱা ৯ বজাৰ পৰা বন -বিভাগ আৰু প্ৰশাসনে অঞ্চলটোৰ ২ নম্বৰ দয়ালপুৰ , ৩ নম্বৰ দয়ালপুৰ , ৩ নম্বৰ দলনিপথাৰ, খেৰবাৰী আৰু আনন্দপুৰ গাঁৱত উচ্ছেদ চলায়। আজি পাঁচ শতাধিক বাসগৃহ উচ্ছেদ কৰাৰ লগতে বহু সংখ্যক তামোল বাৰীও উচ্ছেদ কৰা হয়। এই অভিযানত ভালেসংখ্যক এক্সকেভেটৰ, বনকৰ্মী আৰু প্ৰশাসনিক বিষয়া নিয়োগ কৰা হৈছে । গোলাঘাটৰ জিলা আয়ুক্ত , অতিৰিক্ত জিলা আয়ুক্ত, আৰক্ষী বিষয়া, কাৰ্যবাহী দণ্ডাধীশকে ধৰি অন্যান্য উচ্চপদস্থ বিষয়া আৰু চি আৰ পি এফৰ সহযোগিতাত এই উচ্ছেদ অভিযান চলোৱা হৈছে। উচ্ছেদ শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাটো নিশ্চিত কৰিবলৈ অঞ্চলটোত কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে। ইপিনে ৰাজ্যত বৰ্তমানলৈকে এক লাখ ৩৯ হাজাৰ বিঘা মাটিৰ পৰা দখলকাৰীক উচ্ছেদ কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এখন সংবাদমেলত প্ৰকাশ কৰিছে। ইয়াৰে উৰিয়ামঘাটৰ পৰা ১০ হাজাৰ বিঘা মাটি মুক্ত কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে

জানিবলৈ দিয়ে।

০০০০

রাজ্যত অব্যাহত থকা অসহ্য গৰমৰ বাবে গ্ৰীষ্ম বন্ধৰ পাছত কাইলৈৰ পৰা হ'বলগীয়া বিদ্যালয়ৰ পাঠদান সন্দৰ্ভত সমগ্ৰ শিক্ষা বিভাগে বিশেষ নিৰ্দেশনা জাৰি কৰিছে। কামৰূপ মহানগৰ জিলা আয়ুক্তৰ সৈতে হোৱা বৈঠকৰ পাছত সমগ্ৰ শিক্ষাৰ কামৰূপ মহানগৰ জিলাৰ মিছন সমন্বয়কে এটা নিৰ্দেশনাযোগে জিলাখনৰ বিদ্যালয়সমূহত পাঠদানৰ নতুন সময়সূচী ঘোষণা কৰিছে। নতুন নিৰ্দেশনা অনুসৰি কাইলৈৰ পৰা কামৰূপ মহানগৰ জিলাৰ সকলো চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ পাঠদান পুৱা চাৰে ৭ বজাত আৰম্ভ হ'ব। অৱশ্যে বিদ্যালয়ৰ ছুটীৰ ক্ষেত্ৰত শ্ৰেণী অনুসৰি সময়ৰ সলনি হ'ব। নিৰ্দেশনাটোত উল্লেখ কৰা মতে নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ছুটী চাৰে ১১ বজাত আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ছুটী ১২ বজাত হ'ব। মাধ্যমিক পৰ্যায়ৰ অষ্টম, নৱম আৰু দশম শ্ৰেণীৰ পাঠদান দুপৰীয়া ১ বজা পৰ্যন্ত চলিব। এই শ্ৰেণীসমূহৰ পাঠ্যক্ৰম আগুৱাই নিয়াৰ স্বাৰ্থত বিদ্যালয়ৰ ছুটীৰ সময় চাৰে ১২ বজাৰ পৰিৱৰ্তে ১ বজা কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

উল্লেখযোগ্য যে প্ৰচণ্ড গৰমৰ বাবে বিদ্যালয়ৰ শিক্ষাৰ্থীসকল যাতে অসুবিধাৰ সন্মুখীন নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰে শিক্ষা বিভাগক নিৰ্দেশ দিছে। গুৱাহাটী মহানগৰীৰ যান-জঁটৰ বাবে বিদ্যালয়ৰ পাঠদানৰ সময়সূচী সালসলনি কৰাৰ বাবে চৰকাৰে আগবঢ়োৱা পৰামৰ্শৰ ভিত্তিতে সমগ্ৰ শিক্ষা বিভাগে নিৰ্দেশনা জাৰি কৰিছে। নগাঁও সংমণ্ডল বিদ্যালয়সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথে জাৰি কৰা এটা নিৰ্দেশনা অনুযায়ী নগাঁও জিলাতো বিদ্যালয়সমূহৰ পাঠদানৰ সময়সূচী পৰিৱৰ্তন কৰা হৈছে। পুৱা চাৰে ৭ বজাত পাঠদানৰ সূচী আৰম্ভ কৰি প্ৰাথমিক বিদ্যালয় চাৰে ১১ বজাত, মাধ্যমিক ১২ আৰু উচ্চ তথা উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত চাৰে ১২ বজাত পাঠদান কাৰ্যসূচীৰ সামৰণি পৰিব বুলি শ্ৰীনাথে জানিবলৈ দিছে।

০০০০

স্বাধীনতা দিৱস উপলক্ষে ভাৰতৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে দৰং জিলা প্ৰগতিশীল মহিলা কৃষি উদ্যোগী দিপ্তী চহৰীয়াক ৰাষ্ট্ৰপতি ভৱনত অভ্যৰ্থনাৰ বাবে নিমন্ত্ৰণ জনাইছে। আজি বিয়লি মঙলদৈ ডাক বিভাগৰ বিষয়া কৰ্মচাৰীৰ এটা প্ৰতিনিধি দলে দিপ্তী চহৰীয়াক নিজা বাসভৱনত নিমন্ত্ৰণী পত্ৰখন প্ৰদান কৰে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**